# গোৱালপাৰাৰ নটসূৰ্য ফণী শৰ্মা প্ৰেক্ষাগৃহত মঞ্চস্থ কালজয়ী নাটক 'চিৰাজ'



স্বপ্ৰাপ্ত বাৰ্তা

**মাটিয়া, ২৩ নৱেম্বৰ :** গোৱালপাৰা মহাবিদ্যালয়ৰ পৰিবেশ্য কলা কেন্দ্ৰৰ উদ্যোগত, মহাবিদ্যালয়ৰ ন-পুৰণি ছাত্ৰ-ছাত্ৰী তথা স্থানীয় শিল্পীৰ সমন্বয়ত যোৱা ২১ নৱেম্বৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে গোৱালপাৰা চহৰৰ নটসূৰ্য ফণী শৰ্মা প্ৰেক্ষাগৃহত নটসূৰ্য ফণী শৰ্মাৰ কালজয়ী নাটক 'চিৰাজ' মঞ্চস্থ কৰা হয়। কাৰ্যসূচী অনুসৰি, যোৱা নিশা মহাবিদ্যালয়ৰ অধ্যাপক শৈলেন্দ্ৰজিৎ শৰ্মাই আঁতধৰা উদ্বোধনী অনুষ্ঠানত গোৱালপাৰা জিলা ১৩ পৃষ্ঠাত চাওক

# গোৱালপাৰাৰ নটসূৰ্য ফণী শৰ্মা

১২ পৃষ্ঠাৰ পৰা  উপায়ুক্ত বৰ্নিষ্ঠ চৌধুৰীয়ে বন্তি প্ৰজ্বলন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মন, প্ৰাক্তন অধ্যক্ষ জ্যোতি দাস, অৱসৰপ্ৰাপ্ত অধ্যাপক উত্তম শৰ্মাৰ উপস্থিতিত চিৰাজ নাটকখন আৰম্ভ কৰে। উদ্বোধনী ভাষণত জিলা উপায়ুক্তই এ নাটকখনে সমাজত একতা, ভাতৃত্ববোধ, সমন্বয়-সম্প্ৰীতিৰ বাৰ্তা দিব বুলি আশা প্ৰকাশ কৰে। উদ্বোধনী অনুষ্ঠানত গোৱালপা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে কয় যে সম্প্ৰতি এনে ধৰণৰ সম্প্ৰীতিৰ নাটকখন মঞ্চস্থ কৰাৰ অতীৱ প্ৰয়োজন হৈছে তুলিছে, উদ্বোধনী অনুষ্ঠানত প্ৰাক্তন অধ্যক্ষ জ্যোতিষ দাস, প্ৰাক্তন অধ্যাপক উত্তম শৰ্মাই হিন্দু-মুছলমানৰ সংপ্ৰীতিৰ নিদ সেপুৰুৱা নাটকখনে সমাজত ব্যাপক সমাদৰ লাভ কৰিবলৈ সক্ষম হ'ব। চিৰাজ নাটকখন পৰিচালনা কৰে বিশিষ্ট নাট্যকাৰ উ শংকৰ দে, প্ৰযোজনা কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে। নাটকখনৰ সামগ্ৰিক পৰিকল্পনা অধ্যাপক দৈপেন্দ্ৰজিত শৰ্মা আৰু সহ পৰিচালনা গৰীব জ্যোতি নাথৰ। নাটকখনত অভিনয় কৰে চিৰাজৰ ভূমিকাত জয়ন্ত মেধি, অখোদাৰ ভূমিকাত শং দাস, বন্ধৰ ভূমিকাত মনং কুমাৰ নাথ, বন্ধানীৰ ভূমিকাত প্ৰীতিৰেখা দাস, কন্দৰ্পৰ ভূমিকাত অলকেশ নাথ, সাবিত্ৰী ভূমিকাত প্ৰীতি দাস, জামালৰ ভূমিকাত জিন্টিল দাস, ডাক্তৰ কিমৰ ভূমিকাত গৌতম শৰ্মা, সৰযুৰ ভূমিকাত তৃতিকা সুবিমল মুকুলৰ ভূমিকাত পাৰ্থপ্ৰতিম দাস, অনিলৰ ভূমিকাত ইমুল আলী, সৰু সীতাৰ ভূমিকাত হুমিতা হাজৰিকা, ডাঙৰ সীতা ভূমিকাত জুটি কুজুৰ, ফাতেমাৰ ভূমিকাত ৰোকেয়া ইয়াছমিন, বকুলিৰ ভূমিকাত অৰ্পনা দাস, কুসুমৰ ভূমিকাত পদ্মমণি কলিতা, ঘুইতাৰৰ ভূমিকাত উদয় শংকৰ দে, পুত্ৰৰ ভূমিকাত তুষিত কলিতা, আত্তৰৰ ভূমিকাত ইমদাদ খান, কামতৰ ভূমিকা গৰীবজ্যোতি নাথ, ডাক্তৰৰ ভূমিকাত উৎপল নাথ, গঞাৰ ভূমিকাত ক্ৰমে মৃণাল হাজৰিকা, প্ৰণিতাত দাস, গুচৰ চুপুৰীয়া ভূমিকাত ক্ৰমে তাপস দাস, অমল তহবিলদাৰ, ৰঞ্জিৎ পাণী ভাৱাত, প্ৰিয়া মেধিয়ে অভিনয় কৰে। নাটকৰ কাহিনী আছিল এ ধোকাৰ-দুখীয়া পৰিয়ালৰ ছোৱালী সাবিত্ৰীৰ লগত ভাল পোৱা গঢ়ি উঠে ধনীৰ দুলাল কন্দৰ্পৰ। কিন্তু কন্দৰ্পৰ পৰিয়ালে কথা মে আগ নাবাঢ়োতেই কন্দৰ্পক কলিকতালৈ পঠিয়াই দি সাবিত্ৰীৰ বিয়া ঠিক কৰি দিয়ে আন এজনৰ লগত। বিয়াৰ দিনা নিশা সাবিত্ৰী পলাই যায়। সাবিত্ৰীয়ে আশ্ৰয় পায় এজন ইছলাম ধৰ্মী মনুহ চিৰাজৰ ঘৰত। চিৰাজৰ পত্নী ফাতেমাই গম পায় যে সাবিত্ৰী অন্তঃসত্বা। এটা সময়ত এগৰাকী কন্যা সন্তানৰ জন্ম দি সাবিত্ৰীৰ মৃত্যু হয়। ফাতেমাই ছোৱালীজনীৰ নাম দিয়ে নুৰ, চিৰাজে না দিয়ে সীতা। আনহাতে, কন্দৰ্পৰ মাকে সাবিত্ৰীৰ বিষয়ে কন্দৰ্পৰ আগত মিছা কথা কয়। কন্দৰ্পই ধনী ঘৰৰ জীয়ৰী সৰযুৰ লগ বিয়াত বহে। ঘটনাক্ৰমে কন্দৰ্পই সীতাক লগ পায় আৰু সাবিত্ৰীৰ বিষয়ে প্ৰকৃত সত্য জানিবলৈ পায়। কন্দৰ্পই সীতাক চিৰাজ ঘৰৰ পৰা আনি কলিকতাত থকা বন্ধু সুবিমল মুকুলৰ ওচৰত ৰাখে। সুবিমল মুকুলৰ ভাগিনীয়েক অনিলৰ লগত সীতাৰ বিয়াৰ দি থিৰ কৰা হয়। তেনেতে কন্দৰ্পৰ পত্নী সৰযুৱে সীতাৰ প্ৰকৃত পৰিচয় জানিবলৈ পায় আৰু কন্দৰ্পৰ প্ৰতি বিদ্ৰোহী হৈ উঠে। সুবিম মুকুলেও অনিলৰ বাবে সীতাক বিয়া কৰাবলৈ অমান্তি হয়। চিৰাজে জাতি, ধৰ্মৰ ওপৰৰ এখন সমাজৰ স্বাৰ্থত সীতাক বিয়া কৰাবলৈ অনুৰোধ কৰে, কিন্তু মুকুল নিজৰ মতত অটল হৈ থাকে। চিৰাজে সীতাক আকৌ নিজৰ ঘৰলৈ লৈ যাবলৈ ওলায়, কিন্তু নতু প্ৰজন্মৰ নৱ চিন্তাৰ বাহক অনিলে সমাজৰ বিপৰীতে ওলাই আহি সীতাক গ্ৰহণ কৰে। এই নৱ দম্পতীক প্ৰথমে আশীৰ্বাদ দিয়ে

প্ৰাণধাৰি আৰু সভা। ২১ [illegible]